# পঢ়োঁ আহা (প্ৰথম শ্ৰেণী)

## (শিক্ষকৰ বাবে)

## ২০১৬




শিক্ষক/ শিক্ষয়িত্ৰীৰ নাম ঃ ..............................................................................................

বিদ্যালয়ৰ নাম ঃ ..............................................................................................

জিলা ঃ ..............................................................................................

শিক্ষাখণ্ড..............................................মণ্ডল সমল কেন্দ্ৰ..............................................

শিক্ষাৰ অধিকাৰ

unicef
unite for children

**'PADHO AHA'** - An Instructional Design in Assamese for teachers of Class-I, devloped & reveiewed by State Resource Group (SRG) of Reading Enhancement Programme (REP) through workshop mode.

---

**ALL RIGHTS RESERVED : No reproduction in any form of this document, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from SSA, Assam and UNICEF.**

গ্ৰন্থস্বত্ব ঃ সৰ্বশিক্ষা অভিযান, অসম

প্ৰথম প্ৰকাশ ঃ ২০১৬

**email id : repassam@gmail.com**

**Toll Free Number : 18003453525**

# বাৰ্তা

১। পঠনৰ একমাত্ৰ উদ্দেশ্য হ'ল পঢ়ি বুজি পোৱা।

২। শ্ৰেণীৰ পাঠ আদান-প্ৰদানত প্ৰতি গৰকী শিশুৰ অংশ গ্ৰহণ সুনিশ্চিত কৰিব লাগে কিয়নো শিশুৰ শিকন তেতিয়াহে সম্ভৱ হয় যেতিয়া তেওঁলোক সক্ৰিয়ভাৱে জড়িত হয়।

৩। বুজি পোৱা আৰু সলসলীয়াকৈ পঢ়িব পৰা দক্ষতা পৰস্পৰে পৰস্পৰৰ পৰিপূৰক।

৪। সকলো শিশুৱে শিকিব পাৰে যদিহে পৰ্যাপ্তভাৱে শিকাৰ সুবিধা পায়।

৫। আৰম্ভণিতে যদি শিশুৱে সঠিকভাৱে পঢ়িব নোৱাৰে পৰৱৰ্তী সময়ত তেওঁলোকৰ এক পূৰাব নোৱাৰা পঠন ঘাটি হয়।

৬। বহু সময়ত দেখা যায় যে শিক্ষকে তেওঁৰ লগে লগে ছাত্ৰ-ছাত্ৰীক আঙুলি বুলাই পাঠ আওৰাব/পঢ়িবলৈ দিলেও প্ৰকৃততে ছাত্ৰ-ছাত্ৰী সকলে শিক্ষকৰ উচ্চাৰণ খিনিহে আওৰাই যায়। তেওঁলোকে পাঠত থকা শব্দ আৰু শিক্ষকৰ আদৰ্শ উচ্চাৰণৰ মাজত সংগতি নাৰাখে। এই ক্ষেত্ৰত শিক্ষক সকল সচেতন হ'ব লাগে।

৭। ছাত্ৰ-ছাত্ৰীৰ বৰ্ণ-শব্দৰ খৰতকীয়া পঠন দক্ষতা আহৰণ হ'লেহে তেওঁলোকৰ বাক্য/দফা পঠন ফলপ্ৰসু হয়। অৱশ্যে, বৰ্ণ-শব্দৰ খৰতকীয়া পঠন দক্ষতা থাকিলেও বাক্য/দফা পঠন ফলপ্ৰসু নহ'ব পাৰে যদিহে, ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ যথাযথ আৰু চহকী নহয়। সেয়েহে, শব্দ ভাণ্ডাৰ বৃদ্ধি কৰাটো এক গুৰুত্বপূৰ্ণ দিশ।

৮। যি সকল ছাত্ৰ-ছাত্ৰীৰ বৰ্ণ-শব্দ পঠনত দুৰ্বলতা থাকি যায় সেই সকলক বাক্য পঠন কৰিবলৈ দিলে তেওঁলোকে বাক্যটোৰ প্ৰতিটো শব্দ শুদ্ধকৈ পঠন কৰাত যথেষ্ট কষ্ট আৰু যুঁজ কৰিব লগা হয়। ফলত তেওঁলোকৰ লক্ষ্য হৈ পৰে মূলতঃ শব্দৰ পঠনৰ বাবে যুঁজ কৰা। সেয়েহে, তেওঁলোকে বাক্যৰ অৰ্থ বুজি পাবলৈ অপাৰগ হয়।

৯। 'পঢ়োঁ আহা' কাৰ্যক্ৰমটো ফলপ্ৰসূ তেতিয়াহে হ'ব যেতিয়া এই কাৰ্যক্ৰমণিকাত শিক্ষক-শিক্ষয়িত্ৰী, পিতৃ-মাতৃ, অভিভাৱক, বিদ্যালয় পৰিচালনা সমিতি, মাতৃগোট, সমাজৰ তথা শিক্ষা ব্যৱস্থাৰ লগত জড়িত সকলোৰে সক্ৰিয় অংশ গ্ৰহণ আৰু সহায় সহযোগিতা সুনিশ্চিত হ'ব।

# আগকথা

আমাৰ অসম ৰাজ্যৰ প্ৰাথমিক বিদ্যালয়ৰ শিকাৰু সকলৰ পঠন কৌশল বিকাশৰ লক্ষ্যৰে 'সৰ্বশিক্ষা অভিযান মিছন, অসম'ৰ উদ্যোগত পৰীক্ষামূলকভাৱে ১২ খন জিলাৰ (বৰপেটা, বঙাইগাওঁ, ধেমাজী, ধুবুৰী, ডিব্ৰুগড়, গোৱালপাৰা, যোৰহাট, মৰিগাওঁ, নগাওঁ, নলবাৰী, শিৱসাগৰ আৰু তিনিচুকীয়া) কিছু সংখ্যক বিদ্যালয়ত 'পঢ়োঁ আহা' কাৰ্যক্ৰম ৰূপায়ন কৰি থকা হৈছে। এই কাৰ্যক্ৰম অনুসৰি শিক্ষকসকলক 'পঢ়োঁ আহা'ৰ বিভিন্ন কাৰ্যসূচীৰ প্ৰশিক্ষণ দিয়া হৈছে। এই কাৰ্যক্ৰমৰ জৰিয়তে শিকাৰুসকলৰ পঠন দক্ষতা যথাযথ ভাৱে বিকাশ কৰাৰ প্ৰয়াস কৰা হৈছে। এই ক্ষেত্ৰত শিশুৰ পঠন লিখনৰ দক্ষতা বৃদ্ধিৰ বাবে মৌখিক ভাষা বিকাশক এক অন্যতম কৌশল হিচাপে লৈ শিকনৰ ব্যৱস্থা কৰা হৈছে। শিশুসকলক এক মুকলি চিনাকি পৰিৱেশৰ জৰিয়তে মূল শিকনীয় দিশলৈ আগবঢ়াই নিয়াৰ বাবে প্ৰয়োজনীয় বিভিন্ন আহিলা (যিবোৰ স্থানীয় সমল সততে পোৱা যায়) ব্যৱহাৰৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। কেৱল আখৰ বা শব্দ পঠনৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ উপৰিও ইয়াত শিশুসকলৰ মৌখিক ভাষা বিকাশ, পঠন আৰু লিখনৰ বাবেও অধিক ক্ৰিয়াকলাপ কৰোৱাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় সমলসমূহ সকলো শিশুৰ উপযোগী কৰি প্ৰস্তুত কৰা হৈছে।

গতিকে এই 'পঢ়োঁ আহা' শিক্ষকৰ হাত পুথিখনৰ আৰ্হিত শ্ৰেণী কক্ষত পাঠ আদান-প্ৰদান কৰিবলৈ শিক্ষকসকলৰ বাবে সুবিধা হ'ব আৰু শিশুসকলৰ শিকনত এক গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলি আশা কৰা হৈছে। তাৰোপৰি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহায়ক হিচাপে এখনি "ক্ৰিয়াকলাপৰ সমল ভাণ্ডাৰ" নামৰ পুথিও যোগান ধৰা হৈছে। য'ত শিক্ষকৰ হাত পুথিত দিয়া নিৰ্দেশনা অনুসৰি বিভিন্ন ক্ৰিয়া-কলাপবোৰ আৰ্হি হিচাপে দিয়া হৈছে। এই ক্ৰিয়া-কলাপবোৰ যেনে - সাধু কথন, ভঙ্গীমা গীত, নিচুকনি গীত, ওমলা গীত, সাঁথৰ আদিবোৰ ইয়াৰ পৰা লৈ শ্ৰেণীকোঠাৰ পাঠদানত ব্যৱহাৰ কৰিব পাৰে। প্ৰয়োজনবোধে শিক্ষক-শিক্ষয়িত্ৰীয়ে ইয়াত দি থোৱা আৰ্হিৰ বাহিৰেও ওপৰঞ্চি হিচাপে নিজাববীয়াকৈ প্ৰস্তুত আৰু সংগ্ৰহ কৰি ল'ব লাগিব।

# শিক্ষকলৈ দু-আষাৰ

"শিক্ষাৰ অধিকাৰ আইন-২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু আন ধৰণে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। প্ৰতিজন শিশুৰে প্ৰাথমিক শিক্ষা লাভ কৰাটো বাধ্যতামূলক।

বিভিন্ন চৰকাৰী,বেচৰকাৰী, স্বেচ্ছাসেৱী অনুষ্ঠান আদিৰ অধ্যয়ন তথা গৱেষণাৰ তথ্য অনুসৰি জানিব পৰা গৈছে যে কিছু কিছু বিদ্যালয়ত মৌখিক ভাষা বিকাশৰ বাবে কৰিবলগীয়া ক্ৰিয়া-কলাপৰ প্ৰতি গুৰুত্ব দিয়া পৰিলক্ষিত নহয়। যাৰ ফলত শিকাৰুৰ শ্ৰৱণ-বোধ, কথন বিকাশ নহয়। উক্ত তথ্যসমূহৰ ভিত্তিত ছাত্ৰ-ছাত্ৰীৰ পঠন অগ্ৰগতিৰ কাৰণে 'পঢ়োঁ আহা' শিক্ষকৰ হাতপুথিখন প্ৰস্তুত কৰা হৈছে। পুথিখনি প্ৰস্তুতকৰণৰ ক্ষেত্ৰত 'পঠন' বিষয়ত বিশেষ পাৰদৰ্শী ব্যক্তি আন্তৰ্জাতিক শিক্ষাবিদ ড° ধীৰ ঝিংৰাণ দেৱৰ তত্ত্বাৱধানত ৰাজ্যিক শৈক্ষিক সমল গোটে আগভাগ লৈছে। আশা কৰা হৈছে পুথিখনৰ জৰিয়তে শিশুসকলক পঠনত আগবঢ়াই নিয়াত সুবিধা হ'ব। ইয়াত এনে ধৰণৰ ক্ৰিয়া-কলাপৰ ব্যৱস্থা লোৱা হৈছে য'ত অভিভাৱকসকলেও নিজৰ নিজৰ শিশুক মৌখিক ভাষা শিকনত সহায় কৰিব পাৰিব।

তলত মন কৰিবলগীয়া কেইটামান কথা উল্লেখ কৰা হ'ল—

১। ওমলাগীত, নিচুকনিগীত, সাধুকথা, ছবি পাঠ, ছবিৰ কাহিনী, অংশীদাৰী পঠনৰ বাবে প্ৰয়োজনসাপেক্ষে পাঠ্যপুথিও ব্যৱহাৰ কৰিব পাৰিব।

২। প্ৰথম শ্ৰেণীৰ বাবে বেছি দীঘল বাক্যৰ পাঠ ল'ব নালাগে (সাধু, কাহিনী আদি)।

৩। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে সৰৱ পঠন আৱশ্যকীয়। শিকাৰুক শুদ্ধ উচ্চাৰণ আৰু স্পষ্টকৈ পঢ়াৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

৪। প্ৰতিজন শিকাৰুৰ পঠন আয়ত্তকৰণ নিশ্চিত নোহোৱালৈকে বাৰে বাৰে পঠনৰ অনুশীলন কৰোৱাব লাগে।

৫। স্থানীয় প্ৰচলিত সমল যেনে— স্থানীয় প্ৰচলিত গীত মাত, সাধু, সাঁথৰ আদি শিকাৰুক ক'বলৈ/গাবলৈ দিব।

৭। প্ৰতিজন শিকাৰুৰ প্ৰতিটো কাৰ্যৰ মূল্যায়ন কৰাটোও নিশ্চিত কৰিব লাগে।

৮। শিকনৰ আদি স্তৰত মৌখিক ভাষা বিকাশৰ ক্ৰিয়া-কলাপৰ লগত পঢ়িবলৈ শিকাৰ এক গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে।

৯। পঠন দক্ষতা নাথাকিলে এটি শিশুৱে কোনো বিষয়কে আয়ত্ত কৰিব নোৱাৰে।

১০। প্ৰতিজন শিশুৱেই পঢ়ি বুজি পোৱাৰ বিষয়ত শিক্ষকে গুৰুত্ব দিব লাগিব।

১১। বিদ্যালয়ৰ সময়সূচীত ভাষাৰ বাবে দুটা পিৰিয়ড নিৰ্দ্দিষ্টকৈ ৰাখিব লাগিব।

১২। শিশুৰ পঠন কৌশল বিকাশৰ বাবে আছুতীয়াকৈ এটা পঠন পিৰিয়ডৰ ব্যৱস্থা গ্ৰহণ নিশ্চিত কৰিব।

১৩। ভাষাৰ পিৰিয়ডৰ প্ৰথম ১০ মিনিট সময় আগদিনাৰ কাৰ্যৰ মূল্যায়ন হ'ব লাগে।

১৪। পঠনৰ কৃতকাৰ্যতাই বিদ্যালয়ৰ শৈক্ষিক উন্নয়নৰ মাপকাঠি।

১৫। ভাষা বিষয়ৰ পাঠদান দৈনিক তলত দিয়া মূল চাৰি ধৰণৰ ক্ৰিয়া-কলাপৰ যোগেদি হ'ব লাগিব।

**মৌখিক ভাষা বিকাশ** | **পঠন** | **লিখন** | • ধ্বনি সজাগতা, • চিহ্নৰ চিনাকি • বৰ্ণ আৰু শব্দ পঠন

১৬। আদি অৱস্থাত শিশুক ঘৰুৱা ভাষাত কথা ক'বলৈ উৎসাহিত কৰি পিছলৈ মান্য ভাষালৈ অনাৰ বাবে প্ৰয়াস কৰিব।

১৭। শিক্ষকে এই হাতপুথিখনত দিয়া ক্ৰিয়া-কলাপৰ উপৰি স্থানীয় সমলৰ সহায়ত পাঠদান দিয়াৰ ব্যৱস্থা কৰিব।

**প্ৰথম শ্ৰেণীৰ ভাষাৰ শিকনীয় দিশ ঃ**

১) ভংগীমা গীত, ওমলাগীত, পদ্য আৰু আন আন গীত গাব পৰা।

২) মৌখিক নিৰ্দেশনা শুনি বুজি সহাঁৰি দিব পৰা।

৩) সাধু শুনি বুজি পোৱা আৰু ক'ব পৰা।

৪) ছবি চাই সাধু, কাহিনী আদি ক্ৰম অনুসৰি সজাই ক'ব পৰা।

৫) কথোপকথনত ভাগ ল'ব পৰা আৰু পৰিচিত পৰিৱেশৰ ওপৰত সোধা প্ৰশ্নৰ উত্তৰ দিব পৰা।

৬) স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণসমূহ চিনিব, ক'ব, পঢ়িব আৰু লিখিব পৰা।

৭) স্বৰ চিহ্ন চিনি পোৱা, পঢ়িব পৰা।

৮) স্বৰ চিহ্ন নথকা আৰু স্বৰ চিহ্ন থকা সহজ-সৰল, অৰ্থপূৰ্ণ শব্দ, বাক্য গঠন কৰিব পৰা আৰু লিখিব পৰা।

৯) সহজ-সৰল বাক্য পঢ়ি, বুজি উত্তৰ ক'ব পৰা, লিখিব পৰা।

১০) পাঠ পঢ়ি, বুজি উত্তৰ ক'ব পৰা, লিখিব পৰা।

১১) যতি-বিৰাম চিহ্নৰ ব্যৱহাৰ জনা।

১২) পৰিচিত কোনো বস্তু/ঘটনা আদিৰ সম্পৰ্কে ৩/৪ টা বাক্য ক'ব পৰা।

**"পঠন কাৰ্যসূচী চলি থকা বিদ্যালয়ত ভাষাৰ বাবে দৈনিক দুটাকৈ পিৰিয়ড ধাৰ্য কৰা হৈছে"**

# প্ৰথম শ্ৰেণীৰ ভাষাৰ শিকনীয় দিশ (পৰ্যায় অনুসৰি)

| মূল শিকন লক্ষ্য | প্ৰথম পৰ্যায় | দ্বিতীয় পৰ্যায় | তৃতীয় পৰ্যায় |
|---|---|---|---|
| মৌখিক ভাষা বিকাশ | ১) মৌখিক নিৰ্দেশনা শুনি বুজি কৰিব পৰা।<br>২) ভঙ্গীমা গীত, ওমলা গীত, পদ্য, অন্য গীত শুনি গাব পৰা।<br>৩) শ্ৰৱণ-কথন সম্পৰ্কীয় বিভিন্ন ক্ৰিয়া-কলাপত অংশগ্ৰহণ কৰিব পৰা।<br>৪) সাধুশুনি বুজি পোৱা | ১) সাধু শুনি ক'ব পৰা।<br>২) কথোপকথনত ভাগ ল'ব পৰা।<br>৩) ছবি চাই নাম ক'ব পৰা। | ১) সাধু শুনি বুজি ক'ব পৰা (প্ৰশ্নোত্তৰ দিব পৰা)।<br>২) ছবি চাই সাধু, কাহিনী ক্ৰমত ক'ব পৰা।।<br>৩) মান্য ভাষাত ক'ব পৰা। |
| পঠন | ১) অংশীদাৰী পঠনত অংশগ্ৰহণ কৰিবপৰা।<br>২) স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ (কেইটামান) চিনি পঢ়িব পৰা। | ১) স্বৰবৰ্ণ, ব্যঞ্জনবৰ্ণ পঢ়িব পৰা।<br>২) ছবিৰ লগত শব্দ মিলাই পঢ়িব পৰা। | ১) শব্দ, সহজ সৰল বাক্য পঢ়িব পৰা। |
| লিখন | ১) নিজৰ ভাৱ অনুসৰি আঁক-বাঁক কৰিব পৰা।<br>২) অংশীদাৰী লিখনত ভাগ ল'ব পৰা।। | ১) বৰ্ণ লিখিব পৰা।<br>২) শব্দ লিখন (চাই চাই লিখিব পৰা)। | ১) শব্দ গঠন কৰি লিখিব পৰা (অৰ্থ থকা আৰু অৰ্থ নথকা)<br>২) সহজ-সৰল (২/৩ টা শব্দৰে অৰ্থপূৰ্ণ বাক্য লিখিব পৰা। |

**টোকা ঃ** শিকনৰ পৰ্যায় তথা জটিলতাৰ পৰ্যায় অনুসৰি তিনিটা পৰ্যায়ত প্ৰথম শিকনীয় দিশসমূহ ওপৰত উল্লেখ কৰা ধৰণে শ্ৰেণীবিভাজন কৰা হৈছে। প্ৰথম পৰ্যায় তথা আৰম্ভণি পৰ্যায়, দ্বিতীয় পৰ্যায় তথা মাজৰ পৰ্যায় আৰু তৃতীয় পৰ্যায় তথা শেষৰ পৰ্যায়।

# প্ৰথম শ্ৰেণী (প্ৰথম পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্ৰিয়া-কলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়াকলাপ |
|---|---|---|---|---|
| ২ সপ্তাহ | — শ্ৰৱণ বিকাশ<br>— কথন বিকাশ<br>— ছপাৰ ধাৰণা<br>— দেখি-শুনি শব্দ-ভাণ্ডাৰ বৃদ্ধি<br>— বিভিন্ন ধৰণে আঁক-বাঁক কৰিব পৰা। | শিক্ষকে আকাঙ্খিত ফলাফল লাভ কৰিবলৈ তলত দিয়া ক্ৰিয়া-কলাপৰ সহায় ল'ব।<br>মৌখিক ক্ৰিয়া-কলাপ<br>— মুক্ত কথোপকথন<br>— ওমলা গীত/ ভংগীমা গীত<br>— সাধু কোৱা<br>— অংশীদাৰী পঠনৰ বাবে বিগবুকৰ ব্যৱহাৰ<br>[শিক্ষকে-পুথিৰ লগত সংলগ্ন আৰ্হিৰ সহায় ল'ব।] | কথোপকথন চাৰ্ট, বিগবুক, সাধু পুথি, মুখা (সাধুৰ চৰিত্ৰ অনুসৰি), কাৰ্যপত্ৰ, পাঠ্যপুথি। | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

**"শিশুৰ পঠন সুনিশ্চিত নহ'লে আন আন বিষয়ত ব্যুৎপত্তি লাভ কৰাত বাধা জন্মে"**

# প্ৰথম শ্ৰেণী ( দ্বিতীয় পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্ৰিয়া-কলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়াকলাপ |
|---|---|---|---|---|
| ঐ | • কথোপকথন আৰু যোগাযোগ কৌশলৰ বিকাশ সাধন কৰা।<br>• ঘৰুৱা ভাষাৰ সৈতে মান্য ভাষা বা মাধ্যম ভাষাৰ পৰিচয় হোৱা।<br>• সাধুৰ বিষয়বস্তুৰ বিষয়ে সোধা সহজ-সৰল প্ৰশ্নৰ উত্তৰ দিব পৰা আৰু পুনৰ সহজ-সৰলভাৱে ক'ব পৰা।<br>• ছবি চাই নাম ক'ব পৰা; ছবি চাই সাধু, ঘটনা, কাহিনী আদিৰ বিষয়ে ক'ব পৰা।<br>• নিৰ্দিষ্ট কোনো বিষয়সম্পৰ্কে ক'ব পৰা।<br>• অংগ-ভংগীৰে ভংগীমা গীত আৰু ওমলা গীত গাব পৰা।<br>• কল্পনা শক্তিৰ বিকাশ, কোনো বিষয়ৰ বৰ্ণনা কৰিব পৰা, পূৰ্বানুমান কৰিব পৰা আৰু পৰ্যৱেক্ষণ কৰিব পৰা।<br>• সাধু কোৱা আৰু শুনাৰ সময়ত আৰু পিছত ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সোধা আৰু কথা কোৱাৰ সুযোগ দিয়া। | **মৌখিক ক্ৰিয়া-কলাপ**<br>• সাধুকথন<br>• প্ৰশ্ন সোধা<br>• পদ্য আবৃত্তি কৰিবলৈ দিয়া<br>• কথোপকথন চাৰ্টৰ সহায়ত বিষয়বস্তুৰ বিষয়ে ক'বলৈ দিয়া | • সাধু পুথি<br>• সাধুৰ ছবি চাৰ্ট<br>• সাধুৰ খণ্ড বিশেষৰ চাৰ্ট<br>• কথোপকথন চাৰ্ট<br>• বিগবুক<br>• ছবি কাৰ্ড, মুখা<br>• পাঠ্যপুথি | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# প্ৰথম শ্ৰেণী (দ্বিতীয় পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্ৰিয়া-কলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়া-কলাপ |
|---|---|---|---|---|
| ১০ সপ্তাহ | ● ইতিমধ্যে কোৱা সাধুটোৰ লগত সম্বন্ধ ৰাখি ছবি আঁকিব পৰা<br>● বৰ্ণ (ধ্বনি) বুজি পোৱা, ধ্বনি অনুসৰি আখৰ চিনি পোৱা।<br>● শব্দত ব্যৱহাৰ হোৱা প্ৰতিটো ধ্বনি উচ্চাৰণ কৰিব পৰা।<br>● শব্দ, বাক্য আৰু দফাত নিৰ্দিষ্ট বৰ্ণ (আখৰ) বিচাৰি উলিয়াব পৰা।<br>● আখৰ লিখিব পৰা। (শুদ্ধ পদ্ধতিত)<br>● বৰ্ণমালাৰ ক্ৰম অনুসৰি (আগৰ, পিছৰ, মাজৰ) আখৰ লিখিব পৰা।<br>● শব্দ পঢ়িব পৰা, গঠন কৰিব পৰা, লিখিব পৰা।<br>● বাক্য ক'ব পৰা (৩/৪ টা শব্দৰ)।<br>স্বৰ বৰ্ণ<br>ব্যঞ্জনবৰ্ণ ('ক' - 'ন' লৈ)<br>স্বৰ চিহ্নহীন শব্দ<br>স্বৰচিহ্ন<br>স্বৰচিন থকা শব্দ<br>ব্যঞ্জনবৰ্ণ ('প'- 'ঃ' লৈ)<br>স্বৰচিহ্নবিহীন শব্দ<br>স্বৰচিহ্নযুক্ত শব্দ<br>সৰল বাক্য (২/৩ টা শব্দৰ) | ● অংশীদাৰী পঠন অবিৰতভাৱে কৰোৱা<br>● আজৰি সময়ত সাধু পুথিৰ ব্যৱহাৰ কৰোৱা।<br>● ফলি, বোৰ্ড, কাৰ্যপত্ৰ টোকাবহীত আঁকিবলৈ দিয়া, লিখিবলৈ দিয়া। | ● বৰ্ণ কাৰ্ড<br>● শব্দ কাৰ্ড<br>● ছবি কাৰ্ড<br>● সাধু পুথি<br>● বিগবুক<br>● পকেট বোৰ্ড<br>● শস্যগুটি,<br>● বোৰ্ড,<br>● কাৰ্যপত্ৰ | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া - কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# প্ৰথম শ্ৰেণী ( তৃতীয় পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্ৰিয়া-কলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়া-কলাপ |
|---|---|---|---|---|
| ৮ সপ্তাহ | ● নিৰ্দিষ্ট স্তৰৰ বাক্য শুদ্ধ গতিত সলসলীয়াকৈ পঢ়িব পৰা, বুজিব পৰা, লিখিব পৰা।<br>● কম পৰিমাণে বাক্য থকা সাধু পঢ়িব পৰা, বুজিব পৰা, লিখিব পৰা।<br>● শব্দৰ অৰ্থ উলিয়াব পৰা।<br>● সৰু সৰু দফা পঢ়ি, বুজি পোৱা আৰু সেই বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ ক'ব পৰা আৰু লিখিব পৰা।<br>● সমাৰ্থক আৰু বিপৰীত শব্দ ক'ব আৰু লিখিব পৰা।<br>● নিৰ্দিষ্ট একোটা শব্দৰ পৰা সৰু সৰু বাক্য গঠন কৰি ক'ব পৰা, লিখিব পৰা।<br>● কোনো ঘটনা বা বিষয়ৰ বিষয়ে মৌখিকভাৱে (সাৱলীলভাৱে) ক'ব পৰা।<br>● শুদ্ধ বানান ক'ব আৰু লিখিব পৰা। | ● কথোপকথন চাৰ্টৰ জৰিয়তে কাৰ্য কৰিবলৈ দিয়া। ছবি চাই নাম কোৱা, ক'ত পোৱা যায়, কিয় লাগে, কি কামত ব্যৱহাৰ কৰিব পাৰি, কেনেকৈ ব্যৱহাৰ কৰিব পাৰি, কেতিয়া ব্যৱহাৰ কৰিব পাৰি আদিৰ ওপৰত ক'বলৈ দিয়া, ছবি আঁকিবলৈ, লিখিবলৈ আৰু পঢ়িবলৈ দিয়া। ছবিত থকাৰ উপৰিও এনেধৰণৰ আন আন বস্তুৰ নাম ক'বলৈ দিয়া লিখিবলৈ দিয়া আদি।<br>● ছাত্ৰ-ছাত্ৰীয়ে নিজে জনা সাধু ক'বলৈ দিয়া।<br>● সাধু পুথি পঢ়িবলৈ দিয়া।<br>● ছবি চাই সাধু/গল্প/কাহিনী ক'বলৈ দিয়া। ছবিৰ তলত দিয়া শব্দ, বাক্য পঢ়িবলৈ দিয়া।<br>● পদ্য আবৃত্তি কৰিবলৈ দিয়া।<br>● সাধু /গল্প/কাহিনী আদিৰ চৰিত্ৰৰ অভিনয় কৰিবলৈ দিয়া।<br>● সাধু সম্প্ৰসাৰণ কৰিবলৈ দিয়া। | ● শব্দ কাৰ্ড<br>● বাক্য কাৰ্ড<br>● শব্দ তালিকা কাৰ্ড<br>● বৰ্ণ তালিকা কাৰ্ড<br>● দফা কাৰ্ড (ছবি থকা)<br>● সাধু পুথি<br>● সাধুৰ ছবি চাৰ্ট,<br>● সাধুৰ ছবি কাৰ্ড<br>● কাৰ্যপত্ৰ<br>● বৰ্ণাৰলী তালিকা, কাৰ্ড।<br>● বাক্য তালিকা কাৰ্ড | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া-কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

# প্ৰথম শ্ৰেণী ( তৃতীয় পৰ্যায়)

| সপ্তাহ/মাহ | উদ্দেশ্য/শিকনীয় ফলাফল | ক্ৰিয়া-কলাপৰ ধৰণ | সঁজুলি | বহুস্তৰীয় শিকাৰুৰ বাবে ক্ৰিয়া-কলাপ |
|---|---|---|---|---|
| ঐ | ঐ | ● ভাষাৰ খেল (আদ্যাক্ষৰী, অন্ত্যাক্ষৰী, মধ্য বৰ্ণ, Mind Mapping আদি খেলিবলৈ দিয়া।)<br>● দফা পঢ়িবলৈ দিয়া।<br>● শব্দৰ অৰ্থ উলিয়াবলৈ দিয়া। ছন্দৰ মিল থকা /শেষৰ ধ্বনি মিল থকা শব্দ ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সমাৰ্থক আৰু বিপৰীত শব্দ ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সাধু পুথি (নিৰ্দিষ্ট স্তৰৰ) পঢ়িবলৈ দিয়া, পঢ়ি কি বুজিলে ক'বলৈ দিয়া, সাধুটো ক'বলৈ দিয়া।<br>● নিৰ্দিষ্ট শব্দৰে বাক্য গঠন কৰি ক'বলৈ আৰু লিখিবলৈ দিয়া।<br>● সৰু সৰু দফা পঢ়িবলৈ দিয়া। দফাৰ বিষয়বস্তুৰ বিষয়ে প্ৰশ্ন সোধা আৰু ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ দিয়া।<br>● পাঠ্যপুথিৰ পাঠ পঢ়িবলৈ দিয়া।<br>● পাঠৰ বিষয়বস্তুৰ বিষয়ে প্ৰশ্ন সোধা আৰু ছাত্ৰ-ছাত্ৰীক উত্তৰ ক'বলৈ আৰু লিখিবলৈ দিয়া। | ● শব্দ কাৰ্ড<br>● বাক্য কাৰ্ড<br>● শব্দ তালিকা কাৰ্ড<br>● বৰ্ণ তালিকা কাৰ্ড<br>● দফা কাৰ্ড (ছবি থকা)<br>● সাধু পুথি<br>● সাধুৰ ছবি চাৰ্ট,<br>● সাধুৰ ছবি কাৰ্ড<br>● কাৰ্যপত্ৰ<br>● বৰ্ণমালা তালিকা, কাৰ্ড।<br>● বাক্য তালিকা কাৰ্ড | কাৰ্যসমূহ কৰাৰ সময়ত শিক্ষকে সকলো শিশুকে সমভাৱে জড়িতকৰণৰ বিষয়ত গুৰুত্ব দিব। পিছপৰা শিকাৰুসকলৰ ওপৰত অধিক গুৰুত্ব দিব। প্ৰয়োজনবোধে তেনে শিশুৰ বাবে অধিক ক্ৰিয়া-কলাপৰ অনুশীলন কৰোৱাব। যিসমূহ ক্ৰিয়া-কলাপ কৰোৱাব, সেইসমূহ শিশুৱে ভালপোৱা, সহজতে কৰিব পৰা বিধৰ হ'ব লাগে। |

**পাঠ আদান-প্ৰদান আৰ্হি - ১**

## কথোপকথন কৌশলৰ বিকাশ

শিক্ষকে প্ৰথমে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটা ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিব যাতে শিশুসকল সহজ হ'ব পাৰে। পিছত তলত দিয়া ক্ৰিয়াকলাপ সমূহ কৰিব।

**পদক্ষেপ ১ ঃ** কথোপকথন চাৰ্ট দল অনুযায়ী ভগাই দিব। দলৰ প্ৰতিজন সদস্যক কথোপকথন চাৰ্টৰ বিষয়ে ওপৰত কথা পাতিবলৈ দিব। শিক্ষকে পৰ্যৱেক্ষণ কৰি প্ৰত্যেক দলক সমূহীয়াকৈ সুধি ব্যক্তিগতভাৱে উত্তৰ আদায় কৰিব। সহপাঠীৰ জৰিয়তে শুদ্ধাশুদ্ধ নিৰ্ণয় কৰিব।

**পদক্ষেপ ২ ঃ** চাৰ্টত থকা নিৰ্দিষ্ট ছবিৰ বিষয়ে প্ৰতিজন শিকাৰুক ক'বলৈ সুবিধা দিব।

**পদক্ষেপ ৩ ঃ** ছাত্ৰ-ছাত্ৰীয়ে কোৱা মূল (key) শব্দবোৰ শিক্ষকে মুখেৰে মাতি বোৰ্ডত লিখি দিব।

**পদক্ষেপ ৪ ঃ** মূল (key) শব্দবোৰ শিক্ষকে বাৰে বাৰে ক'ব আৰু ছাত্ৰ-ছাত্ৰীকো ক'বলৈ দিব।

**পদক্ষেপ ৫ ঃ** ছাত্ৰ-ছাত্ৰীক মাতি আনি নিজে কোৱা শব্দবোৰ বোৰ্ডৰ পৰা বিচাৰি উলিয়াবলৈ দিব।

**পদক্ষেপ ৬ ঃ** ছাত্ৰ-ছাত্ৰীক নিজে কোৱা শব্দটোৰ লগত সংগতি থকা ছবি আঁকিবলৈ দিব। (ছবিৰ আকৃতিতকৈ ছাত্ৰ-ছাত্ৰীয়ে কামটো কৰাতহে শিক্ষকে অধিক গুৰুত্ব দিব)।

**পদক্ষেপ ৭ ঃ** ছাত্ৰ-ছাত্ৰীয়ে অঁকা ছবিৰ নামটো শিক্ষকে মুখেৰে উচ্চাৰণ কৰি ফলিত/বহীত লিখি দিব।

**পদক্ষেপ ৮ ঃ** এতিয়া ফলিত লিখা নামবোৰ বোৰ্ডত মিলাবলৈ দিব।

**পদক্ষেপ ৯ ঃ** বোৰ্ডত লিখা শব্দবোৰ ভাঙি ভাঙি ধ্বনি অনুসৰি চাপৰি বজাই অনুশীলন কৰোৱাব। উদাহৰণ স্বৰূপে - কল শব্দৰ বাবে 'ক' আৰু 'ল' ৰ বাবে দুটা চাপৰি বজাব। 'কল' বুলি কোৱাৰ লগে লগে আৰু এটা চাপৰি মাৰিব।

**পদক্ষেপ ১০ ঃ** শিক্ষকে ভাঙি ভাঙি উচ্চাৰণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব।

**পদক্ষেপ ১১ ঃ** ছাত্ৰ-ছাত্ৰীসকলক প্ৰথমৰ পৰা শব্দবোৰ শাৰী শাৰীকৈ ক'বলৈ দিব।

**"মুক্ত কথোপকথন শিশুৰ পঠন কৌশল আয়ত্তকৰণৰ প্ৰাকচৰ্ত"**

পাঠ আদান-প্ৰদান আৰ্হি - ২

## ভংগীমা গীত

**নিৰ্দেশনা —**

শিক্ষকে প্ৰথমে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ লগত এটা ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিব যাতে শিশুসকল সহজ হ'ব পাৰে। সহজ হোৱাৰ পাছত ভংগীমা গীতটো লগে ভাগে গোৱাব। (বেছি দীঘলীয়া ভংগীমা গীত ল'ব নেলাগে)

**পদক্ষেপ ১ ঃ** ভংগীমা গীতৰ চাৰ্ট আঁৰি দিব, চাৰ্টত থকা শাৰীবোৰ আঙুলি বুলাই পঢ়োৱাব।

**পদক্ষেপ ২ ঃ** অংগীভংগীৰে গোৱাব। গাবলৈ দিব।

**পদক্ষেপ ৩ ঃ** গীতৰ প্ৰতিটো শাৰী এশাৰী এশাৰীকৈ দলত গাবলৈ দিব।

**পদক্ষেপ ৪ ঃ** গীতৰ শাৰীৰ কাৰ্ডবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ভগাই দি গোৱাব আৰু নিজৰ নিজৰ কাৰ্ডত থকা শাৰীটো চাৰ্টত মিলাবলৈ দিব।

**পদক্ষেপ ৫ ঃ** গীতৰ প্ৰতিটো শাৰী শিক্ষকে গাই শুনাব। ছাত্ৰ-ছাত্ৰীয়ে লগে ভাগে গোৱাৰ লগতে সেই শাৰীটো যিজনৰ হাতত থাকিব সেইজনে হাত দাঙিব।

**পদক্ষেপ ৬ ঃ** ছাত্ৰ-ছাত্ৰীক ক্ৰম অনুসৰি এজন এজনকৈ গীতৰ শাৰীবোৰ পঢ়িবলৈ দিব। (নিজৰ হাতত থকা কাৰ্ড অনুসৰি)

**পদক্ষেপ ৭ ঃ** গীতৰ শাৰী বোৰ্ডত লিখি ছাত্ৰ-ছাত্ৰীক লৈ পঢ়ুৱাব। পিছত ছাত্ৰ-ছাত্ৰীক গাইগুটীয়াকৈ পঢ়িবলৈ দিব।

**পদক্ষেপ ৮ ঃ** গীতত থকা মূল শব্দবিলাক এটা এটাকৈ ভাঙি ভাঙি উচ্চাৰণ কৰোৱাব। (ধ্বনি অনুসৰি হাত চাপৰি বজাবলৈ দিব) পাছত আকৌ পঢ়িবলৈ দিব।

**পদক্ষেপ ৯ ঃ** গীতত থকা শব্দৰ আদি (প্ৰথম) ধ্বনি অনুসৰি নতুন শব্দ বোৰ্ডত লিখি দি পুনৰ চিনাক্ত কৰিবলৈ দি উচ্চাৰণ কৰোৱাব।

**পদক্ষেপ ১০ ঃ** শেষৰ ধ্বনি মিলাই একেদৰে আগৰ কাৰ্যটোৰ দৰে কৰিবলৈ দিব।

**পদক্ষেপ ১১ ঃ** নিৰ্দিষ্ট শব্দ মূল গীতৰ চাৰ্টত দেখুৱাবলৈ দিব।

**পদক্ষেপ ১২ ঃ** পুনৰ ভংগীমা গীতটো সকলোকে গাবলৈ দিব।

**"লগে-ভাগে ভংগীমা গীত গোৱাই শ্ৰেণীকোঠাত ঘৰুৱা পৰিৱেশ সৃষ্টি কৰিব পাৰি"**

পাঠ আদান-প্ৰদান আৰ্হি - ৩

# সাধু কথন

**পদক্ষেপ ১ ঃ** ছাত্ৰ-ছাত্ৰীৰ বাবে সাধু শুনোৱাৰ পৰিৱেশ গঢ়ি তুলিব। তাৰ পাছত শিক্ষকে চমুকৈ ছাত্ৰ-ছাত্ৰীৰ মনোগ্ৰাহী হোৱাকৈ সাধুটো কৈ শুনাব। (অভিনয়ৰ জৰিয়তে)

**পদক্ষেপ ২ ঃ** পুনৰবাৰ শিক্ষকে সাধুটো বুজি পোৱাকৈ ক'ব।

**পদক্ষেপ ৩ ঃ** শিক্ষকে সাধুটো কৈ থাকোঁতে মাজে মাজে ৰৈ দি ছাত্ৰ-ছাত্ৰীৰ সঁহাৰি বিচাৰিব। প্ৰশ্নও সুধিব পাৰে।

**পদক্ষেপ ৪ ঃ** সাধুটোৰ এশাৰী বাক্য শিক্ষকে ক'ব। আন এশাৰী ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব।

**পদক্ষেপ ৫ ঃ** এশাৰী এশাৰীকৈ প্ৰতিজন ছাত্ৰ-ছাত্ৰীক সাধুটো ক'বলৈ দিব।

**পদক্ষেপ ৬ ঃ** সাধুটোৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধিব। ছাত্ৰ-ছাত্ৰীক প্ৰশ্নৰ জৰিয়তে চিন্তাৰ খোৰাক যোগাব।

**পদক্ষেপ ৭ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীক সাধুটো ক'বলৈ দিব।

**পদক্ষেপ ৮ ঃ** সাধুটোৰ খণ্ড ছবিকাৰ্ডসমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত দলগতভাৱে ভগাই দিব। নিৰ্দিষ্ট খণ্ডটোৰ কথাখিনি ক'বলৈ দিব।

**পদক্ষেপ ৯ ঃ** খণ্ডবোৰৰ কথাখিনি কৈ ক্ৰম অনুসৰি ছবিবোৰ সজাবলৈ দিব।

**পদক্ষেপ ১০ ঃ** ছাত্ৰ-ছাত্ৰীয়ে নিজে জনা সাধু ক'বলৈ দিব।

**পদক্ষেপ ১১ ঃ** কোৱা সাধুটোৰ চৰিত্ৰৰ ছবি আঁকিবলৈ দিব। এইদৰে কথোপকথনৰ দৰে কাৰ্য সম্পাদন কৰিব।

**বিঃ দ্ৰঃ** - মাজে-মাজে শিক্ষকে নিজে সাধু কোৱাৰ আগতে ছাত্ৰ-ছাত্ৰীক তেওঁলোকে নিজে জনা সাধু ক'বলৈ দিব পাৰে।

"পাঠ আদান-প্ৰদানত প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ সুনিশ্চিত কৰাটো বাঞ্ছনীয়"

পাঠ আদান-প্ৰদান আৰ্হি - ৪

# “বিগবুক”ৰ কাৰ্য

**পদক্ষেপ ১ ঃ** শিক্ষকে এক ঘৰুৱা পৰিৱেশ সৃষ্টি কৰি ছাত্ৰ-ছাত্ৰীসকলক সহজে অংশগ্ৰহণ কৰিব পৰা কৰি ল'ব। “বিগবুক” ছাত্ৰ-ছাত্ৰীক দলত দিব। ছাত্ৰ-ছাত্ৰীক চাবলৈ দিব। বেঁটুপাতৰ ছবি চাই বিগবুকখনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব।

**পদক্ষেপ ২ ঃ** শিক্ষকে ‘বিগবুক’ৰ কথাখিনি চমুকৈ ছাত্ৰ-ছাত্ৰীক ক'ব। বেঁটুপাতৰ নামটো ক'ব আৰু মুখেৰে মাতি মাতি বোৰ্ডত লিখি দিব। এতিয়া এই কথাখিনি আমি ইয়াত ‘পঢ়োঁ আহা’ বুলি আগবাঢ়িব।

**পদক্ষেপ ৩ ঃ** প্ৰথম পৃষ্ঠাৰ ছবিখন ছাত্ৰ-ছাত্ৰীৰ আগত দাঙি ধৰি কি ধাৰণা কৰিছে সুধিব। পুনৰ শিক্ষকে পঢ়ি দিব আৰু ছাত্ৰ-ছাত্ৰীকো পঢ়িবলৈ দিব। এইদৰে প্ৰতিটো পৃষ্ঠাৰ কামখিনি শেষ কৰিব।

**পদক্ষেপ ৪ ঃ** এইবাৰ শিক্ষকে প্ৰতিটো পৃষ্ঠাৰ কথাখিনি আগৰ দৰে আঙুলিৰে ধৰি ধৰি পঢ়ি দিব আৰু ছাত্ৰ-ছাত্ৰীকো পঢ়িবলৈ দিব।

**পদক্ষেপ ৫ ঃ** পুনৰ শিক্ষকে পঢ়িবলৈ আৰম্ভ কৰিব। মাজে মাজে ৰৈ দিব ছাত্ৰ-ছাত্ৰীৰ পৰা সঁহাৰি বিচাৰিব। (কাৰ্যটো ২/৩ বাৰ কৰোৱাব)

**পদক্ষেপ ৬ ঃ** এইবাৰ শিক্ষকে এটা বাক্য ক'ব। পিছৰ বাক্যটো ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিব। (কাৰ্যটো ২/৩ বাৰ কৰোৱাব)

**পদক্ষেপ ৭ ঃ** শিক্ষকে বিগবুকৰ কথাৰ ওপৰত ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন সুধি উত্তৰ বিচাৰিব আৰু উত্তৰ হিচাপে পোৱা মূল শব্দবোৰ মুখেৰে মাতি বোৰ্ডত লিখি দিব।

**পদক্ষেপ ৮ ঃ** ছাত্ৰ-ছাত্ৰীক লৈ বোৰ্ডত লিখা শব্দবোৰ ৩/৪ বাৰ মাতি দিব। ছাত্ৰ-ছাত্ৰীক নিজৰ নিজৰ শব্দটো বাছি উলিয়াবলৈ দিব।

**পদক্ষেপ ৯ ঃ** ছাত্ৰ-ছাত্ৰীক নিজৰ নিজৰ ভাগত পৰা চৰিত্ৰটোৰ ছবি আঁকিবলৈ দিব। শিক্ষকে পৰ্যবেক্ষণ কৰিব আৰু ছাত্ৰজনে অঁকা ছবিটোৰ নাম জানি লৈ মুখেৰে মাতি ছাত্ৰজনৰ ফলিত/টোকাবহীত নামটো লিখি দিব। (প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বাবে কাৰ্যটো কৰোৱাব।)

**পদক্ষেপ ১০ ঃ** আগতে বোৰ্ডত শিক্ষকে লিখি থোৱা শব্দৰ লগত নিজৰ নিজৰ শব্দটো মিলাবলৈ দিব।

**পদক্ষেপ ১১ ঃ** বোৰ্ডত লিখি থোৱা শব্দবোৰ ধ্বনি অনুসৰি ভাঙি ভাঙি শিক্ষকে হাত চাপৰি বজাই মাতিব আৰু ছাত্ৰ-ছাত্ৰীকো মাতিবলৈ দিব। বাৰে বাৰে অনুশীলন কৰোৱাব। শেষত শিক্ষকে ভাঙি উচ্চাৰণ কৰিব আৰু ছাত্ৰ-ছাত্ৰীক শব্দটো ক'বলৈ দিব। শিক্ষকে শব্দ ক'ব ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰি বজাই ভাঙি ভাঙি মাতিব।

**পদক্ষেপ ১২ ঃ** ছাত্ৰ-ছাত্ৰীক প্ৰথমৰ পৰা কথাখিনি শাৰী শাৰীকৈ ক'বলৈ দিব।

পাঠ আদান-প্ৰদান আৰ্হি - ৫

## বৰ্ণ/আখৰ চিনি পোৱা, পঢ়িব পৰা

শিক্ষকে নিম্নলিখিত পদ্ধতিসমূহ গ্ৰহণ কৰিব পাৰে।

১। ভংগীমা গীত

২। সাধু কথন

৩। কথোপকথন

প্ৰয়োজনীয় সামগ্ৰী

ছাত্ৰ-ছাত্ৰীক শিকাবলগীয়া নিৰ্দিষ্ট বৰ্ণৰ ছবি চাৰ্ট, ছবি কাৰ্ড, শব্দ কাৰ্ড, বৰ্ণকাৰ্ড, পকেটবোৰ্ড, শস্যৰ গুটি (জিকা, ভোল, চন্দন, কোমোৰা, তিয়হঁৰ গুটি) আদি।

ওপৰোক্ত পদ্ধতিসমূহৰ পূৰ্বৰ পদক্ষেপ ৰক্ষা কৰি পৰৱৰ্তী কাৰ্যলৈ আগবাঢ়িব।

**পদক্ষেপ** ১ ঃ মূল শব্দৰ ছবি চাৰ্টৰ পৰা নিৰ্দিষ্ট বৰ্ণ থকা ছবিটো বাছি উলিয়াবলৈ দিব। লগতে ছবিটোৰ নাম সুধি শিক্ষকে শব্দটো বোৰ্ডত লিখিব।

**পদক্ষেপ** ২ ঃ সেই নিৰ্দিষ্ট ছবিটো বিভিন্ন ছবি কাৰ্ডৰ মাজৰ পৰা বাছি উলিয়াবলৈ দিব। (দলগত কাৰ্য)

**পদক্ষেপ** ৩ ঃ এইবাৰ নিৰ্দিষ্ট ছবিখন পকেটবোৰ্ডত থ'বলৈ দিব। ছবিৰ লগত মিল থকা শব্দ (নিৰ্দিষ্ট) কাৰ্ডখন দলত বাছিবলৈ দিব। (কেইবাখনো শব্দকাৰ্ড ৰাখিব)। ছবিকাৰ্ডৰ সোঁফালে শব্দ কাৰ্ডখন ৰাখিবলৈ দিব। এইখিনিতে বোৰ্ডত লিখা থকা শব্দৰ লগত শব্দ কাৰ্ডখন মিলাবলৈ দিব পাৰে। (তলত দিয়া ধৰণে)



অমিতা

অ

**পদক্ষেপ** ৪ ঃ নিৰ্দিষ্ট শব্দটো ধ্বনি অনুসাৰে উচ্চাৰণ কৰিবলৈ দিব (হাত চাপৰি দি)। প্ৰশ্নৰ জৰিয়তে উত্তৰ হিচাপে শব্দবোৰৰ আদি ধ্বনি আনিব। লগে লগে শিক্ষকে নিৰ্দিষ্ট ধ্বনিটোৰ আখৰটো (বৰ্ণটো) পৰিচয় কৰাই বাৰে বাৰে উচ্চাৰণ কৰিব।

**পদক্ষেপ** ৫ ঃ একে আকৃতি আৰু বিভিন্ন আকৃতিৰ মাজৰ পৰা নিৰ্দিষ্ট আকৃতিটো বিচাৰি উলিয়াবলৈ দিব। (কাৰ্যপত্ৰ, পাঠ্যপুথি, পোষ্টাৰ, পুৰণি আলোচনী, বাতৰি কাকত আদিৰ সহায় ল'ব)।

বিচাৰি উলিয়াবলৈ দিয়া আখৰবিলাকৰ আকাৰ ক্ৰমান্বয়ে ডাঙৰৰ পৰা সৰুলৈ দিব। নিৰ্দিষ্ট আখৰটো লিখোঁতে ব্যৱহাৰ কৰা ৰং একে হ'ব লাগে।

**পদক্ষেপ ৬ঃ** নিৰ্দিষ্ট বৰ্ণটো ডাঙৰকৈ কাৰ্ডত লিখি শস্যগুটিৰে সজাবলৈ দিব।


**পদক্ষেপ ৭ঃ** বালিবোৰ্ডত তৰ্জনী আঙুলিৰে লিখিবলৈ অনুশীলন কৰোৱাব।


**পদক্ষেপ ৮ঃ** ছাত্ৰ-ছাত্ৰীক কাৰ্যপত্ৰৰ ১৫ নং কাৰ্যটো কৰিবলৈ দিব।

**পদক্ষেপ ৯ঃ** শিক্ষকে নিৰ্দিষ্ট বৰ্ণটো ছাত্ৰ-ছাত্ৰীৰ ফলিত ডাঙৰকৈ লিখি দি তাৰ ওপৰে ওপৰে প্ৰথমে আঙুলিৰে, পিছত পেঞ্চিলেৰে লিখিবলৈ দিব।

(পাৰিলে শিক্ষকে শিকাৰুৰ হাতত ধৰি ধৰি লিখোৱালে বেছি ফলপ্ৰসূ হ'ব।)

**পদক্ষেপ ১০** ঃ ক্ৰম ৰক্ষা কৰি শিক্ষকে পৰ্যায় হিচাপে নিৰ্দিষ্ট বৰ্ণটো লিখিবলৈ অনুশীলন কৰোৱাব, উদাহৰণ স্বৰূপে,





শেষত কাৰ্যপত্ৰ আৰু পাঠ্যপুথিত লিখাৰ অভ্যাস কৰোৱাব। বোৰ্ডতো এনেকৈ লিখাৰ সুবিধা দিব। এইদৰে অ-ৰ পৰা ন-লৈ বৰ্ণ পৰিচয় কৰোৱাব, পঢ়িবলৈ দিব আৰু মৌখিকভাৱে শব্দ গঠন আৰু ভাঙিবলৈ দিব। আটাইবোৰ বৰ্ণৰ বাবে একে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব।

**“সলসলীয়াকৈ পঢ়িব পৰা আৰু পঢ়ি বুজি পোৱাটো পৰস্পৰে পৰস্পৰৰ পৰিপূৰক”**

পাঠ আদান-প্ৰদান আৰ্হি- ৬

## শব্দ গঠন কৰিব পৰা, পঢ়িব পৰা, লিখিব পৰা

**পদক্ষেপ ১ ঃ** শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক দলত লৈ ধ্বনিৰে খেল খেলোৱাব।

**খেলৰ নিয়ম ঃ** আগতীয়াকৈ শিক্ষকে এটা বৰ্ণ নিৰ্দিষ্ট কৰি ল'ব। এই নিৰ্দিষ্ট বৰ্ণটো শিক্ষকে কোৱা শব্দৰ আদি বৰ্ণ হ'লে ছাত্ৰ-ছাত্ৰীয়ে হাত চাপৰি বজাব। অন্য বৰ্ণৰ শব্দ ক'লে হাত চাপৰি বজাব নেলাগে।

উদাহৰণ স্বৰূপে, 'ক' বৰ্ণটো নিৰ্দ্দিষ্ট কৰি ল'লে কল, কমলা হ'লে হাত চাপৰি বজাব, বল হ'লে বজাব নালাগে। এনেদৰে শব্দৰ শেষৰ বৰ্ণৰ বাবেও এই কাৰ্যকেইবাবাৰো কৰোৱাব।

**পদক্ষেপ ২ ঃ** ছাত্ৰ-ছাত্ৰীক দলত নিৰ্দ্দিষ্ট বৰ্ণটোৰে আৰম্ভ হোৱা, শেষ হোৱা শব্দ ক'বলৈ দিব। দলগতভাৱে কাৰ্যটো কৰোৱাব।

**পদক্ষেপ ৩ ঃ** শিক্ষকে দলত কেইখনমান বৰ্ণ কাৰ্ড দিব। প্ৰতিটো দলকে যিকোনো দুখনকৈ বৰ্ণ কাৰ্ড লগ লগাবলৈ দিব। এতিয়া লগ লগোৱা বৰ্ণ দুটা সুকীয়া সুকীয়াকৈ হাত চাপৰি বজাই উচ্চাৰণ কৰিবলৈ দিব। প্ৰতিটো দলতে কৰোৱাব আৰু শব্দটো ক'বলৈ দিব। খেলটো বাৰে বাৰে কৰোৱাব।

**পদক্ষেপ ৪ ঃ** প্ৰতিটো দলক নিজে নিজে কোৱা বৰ্ণ কাৰ্ডবোৰ নি বোৰ্ডত পুনৰ শব্দ গঠন কৰি লিখিবলৈ দিব।

**পদক্ষেপ ৫ ঃ** ইতিমধ্যে বোৰ্ডত লিখা শব্দবোৰ সমূহীয়াভাৱে পঢ়িবলৈ দিব। পুনৰ ব্যক্তিগতভাৱে নিৰ্দ্দিষ্ট শব্দটো বাছি উলিয়াই পঢ়িবলৈ দিব।

**পদক্ষেপ ৬ ঃ** এতিয়া ওপৰৰ পৰা শব্দবোৰ তললৈ পঢ়িবলৈ দিব। পুনৰ তলৰ পৰা শব্দবোৰ ওপৰলৈ পঢ়িবলৈ দিব।

| | |
|---|---|
| ↓ কল ↑ | ↓ গছ ↑ |
| ↓ বল ↑ | ↓ ফল ↑ |
| ↓ তল ↑ | ↓ জল ↑ |

**পদক্ষেপ ৭ ঃ** এতিয়া শিক্ষকে যিকোনো দুখন বৰ্ণ কাৰ্ড দাঙি ধৰি ছাত্ৰ-ছাত্ৰীক নিৰ্দ্দিষ্ট শব্দটো ক'বলৈ দিব।

**পদক্ষেপ ৮ ঃ** এতিয়া ছাত্ৰ-ছাত্ৰীয়ে বোৰ্ডত লিখা শব্দবোৰ উচ্চাৰণ কৰি পঢ়ি নিজৰ বহীত লিখিব। এনেদৰে দুটা বৰ্ণৰে গঠিত শব্দৰ পৰা তিনিটা চাৰিটা বৰ্ণৰে শব্দ গঠন কৰি পঢ়াৰ আৰু লিখাৰ অভ্যাস কৰোৱাব।

**পদক্ষেপ ৯ ঃ** এতিয়া শিক্ষকে বোৰ্ডত লিখা শব্দ এটা ব্যৱহাৰ কৰি এটা বাক্য ক'ব। তেনেদৰে ছাত্ৰ-ছাত্ৰীকো ক'বলৈ দিব। কাৰ্যটো বাৰে বাৰে কৰোৱাব, ছাত্ৰ-ছাত্ৰীয়ে নিজে একোটা বাক্য ক'ব পৰা হোৱালৈকে কাৰ্যটো চলি থাকিব।

**পদক্ষেপ ১০ ঃ** শিক্ষকে কিছুমান ছবি কাৰ্ড ছাত্ৰ-ছাত্ৰীৰ মাজত ভগাই দি প্ৰত্যেককে ছবিখনৰ ওপৰত একোটাকৈ বাক্য ক'বলৈ দিব। লগে লগে লগে শিক্ষকে বোৰ্ডত লিখি যাব। পিছত বাক্যবোৰ বাৰে বাৰে পঢ়ুৱাব, ছাত্ৰ-ছাত্ৰীক পঢ়িবলৈ দিব।

পাঠ আদান-প্ৰদান আৰ্হি - ৭

## শব্দ, বাক্য ক'ব পৰা, পঢ়িব পৰা লিখিব পৰা

শিক্ষকে নিম্নলিখিত পদ্ধতি গ্ৰহণ কৰিব ঃ

১। ভংগীমা গীত

২। সাধু কথন

৩। কথোপকথন

৪। সাধু পুথি পঠন

৫। দফা পঠন

**প্ৰয়োজনীয় সামগ্ৰী ঃ**

শিকাবলগীয়া নিৰ্দিষ্ট বৰ্ণৰ ছবি কাৰ্ড, শব্দ কাৰ্ড, বাক্য কাৰ্ড, শব্দ তালিকা কাৰ্ড, বৰ্ণ তালিকা কাৰ্ড, দফা কাৰ্ড (ছবি থকা), সাধু-পুথি, সাধুৰ ছবি চাৰ্ট, ছবি কাৰ্ড, কাৰ্যপত্ৰ, বৰ্ণাৰলী তালিকা কাৰ্ড আদি।

ওপৰোক্ত পদ্ধতিসমূহৰ প্ৰথম পৰ্যায়ৰ পদক্ষেপসমূহ ৰক্ষা কৰি পৰৱৰ্তী কাৰ্যলৈ আগবাঢ়িব।

**পদক্ষেপ ১ ঃ** ছাত্ৰ-ছাত্ৰীয়ে নিজে অঁকা ছবিৰ নাম লিখিবলৈ দিব। প্ৰথমতে নিজৰ ফলিত, ক্ৰমান্বয়ে ব'ৰ্ডত লিখিবলৈ দিব। (শিক্ষকে সহায় কৰিব)

**পদক্ষেপ ২ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীক নিজে লিখা নামটো ওলোটাকৈ লিখিবলৈ দি পঢ়িবলৈ দিব।

**পদক্ষেপ ৩ ঃ** এইবাৰ ছাত্ৰ-ছাত্ৰীক নিজে লিখা শব্দটোৰ আদি বৰ্ণটো লৈ নতুন দুটা বা তিনিটা শব্দ লিখিবলৈ দি পঢ়িবলৈ দিব। একেদৰে শেষ বৰ্ণৰেও কাৰ্যটোৰ অনুশীলন কৰোৱাব। পূৰ্বৰ দৰে বাক্যলৈ আগবাঢ়িব। (অতি বেছি ৩/৪ টা শব্দৰ বাক্য)

**পদক্ষেপ ৪ ঃ** বাক্য কাৰ্ড ছাত্ৰ-ছাত্ৰীৰ মাজত দলগতভাৱে ভগাই দি পঢ়িবলৈ দি অৰ্থটো ক'বলৈ দিব।

**পদক্ষেপ ৫ ঃ** ছাত্ৰ-ছাত্ৰীৰ মাজত দলগতভাৱে দফা কাৰ্ড ভগাই দি তাত থকা ছবিখনৰ বিষয়ে ক'বলৈ দিব। পাছত দফাত থকা বাক্যবোৰ এটা এটাকৈ পঢ়িবলৈ দিব।

**পদক্ষেপ ৬ ঃ** শিক্ষকে দফাৰ বিষয়বস্তুৰ ওপৰত পোনপটীয়া প্ৰশ্ন সুধি ছাত্ৰ-ছাত্ৰীৰ পৰা উত্তৰ বিচাৰিব।

**পদক্ষেপ ৭ ঃ** শিক্ষকে কেইটামান শব্দ বোৰ্ডত লিখি দি ছাত্ৰ-ছাত্ৰীক একোটাকৈ বাক্য ক'বলৈ দিব পিছত লিখিবলৈ দিব।

## পাঠ আদান-প্ৰদান আৰ্হি - ৮

## মননশীল চিত্ৰ - এক আৰ্হি (Mind-Mapping - A Model)

শ্ৰেণীকোঠাত শিশুক শিকন কাৰ্যত ব্যস্ত ৰাখি শিশুৰ শিকন নিশ্চিত কৰোৱাটোৱে হ'ল ফল-প্ৰসু শিক্ষণ-শিকন প্ৰক্ৰিয়া। ক্ৰিয়া-কলাপৰ জৰিয়তে শিকাৰুক ব্যস্ত ৰখাটো এজন শিক্ষকৰ পাঠদানৰ ক্ষেত্ৰত থকা এক গুৰুত্বপূৰ্ণ দায়িত্ব বা কৰ্তব্য বুলি ক'লেও ভুল কোৱা নহ'ব। প্ৰতিগৰাকী শিক্ষকে পাঠদানৰ বেলিকা শিকাৰুৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা উচিত। কাৰণ শিকাৰুৰ সক্ৰিয় অংশগ্ৰহণ অবিহনে শিকাৰুৰ শিকন অসম্ভৱ।

ভাষাৰ পাঠদানত ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণৰূপে জড়িত কৰি ৰাখি পাঠদান ৰসাল কৰাৰ বাবে এটা অতি লাগতিয়াল ক্ৰিয়া-কলাপ হ'ল মননশীল চিত্ৰ যাক ইংৰাজীত Mind-Mapping বুলি কয়। তলত দিয়া পদক্ষেপ সমূহৰ দ্বাৰা শ্ৰেণীকোঠাত শিক্ষক এগৰাকীয়ে Mind-Mapping ৰ ক্ৰিয়া-কলাপ সম্পাদন কৰিব পাৰে -


১) সাধাৰণতে, শিক্ষক গৰাকীয়ে যিটো পাঠ শিকায় (পদ্য বা গদ্য) সেই পাঠটিৰ মূল শব্দবোৰৰ (Key words) যিকোনো এটা শব্দ বোৰ্ডত সকলোৱে দেখাকৈ এটি বৃত্তৰ ভিতৰত লিখি দিব। পাঠ্যপুথিৰ পাঠৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ বয়স অনুসৰি শিক্ষকে আন আন শব্দও দিব পাৰে।

২) মূল শব্দটো লিখি দিয়াৰ পিছত শিক্ষকে ছাত্ৰ-ছাত্ৰীবোৰক (ব্যক্তিগত ভাৱে বা সমূহীয়া ভাৱে) মূল শব্দটোৰ লগত জড়িত শব্দবোৰ বাছি উলিয়াবলৈ দিব।

৩) শিক্ষকে ছাত্ৰ-ছাত্ৰীক বোৰ্ডৰ ওচৰলৈ নি শব্দবোৰ লিখিবলৈ দিব পাৰে। কেতিয়াবা ছাত্ৰ-ছাত্ৰীক শব্দবোৰ ক'বলৈ দি শিক্ষকজনেও শব্দবোৰ স্পষ্টকৈ সকলোৱে দেখাকৈ লিখিব পাৰে।

৪) মাজে-মাজে এই ক্ৰিয়া-কলাপটো ছাত্ৰ-ছাত্ৰীসকলক দলত কৰিবলৈও দিব পাৰে। দলত ক্ৰিয়া-কলাপটি দিলে ছাত্ৰ-ছাত্ৰীবোৰে নিজা নিজা দলত অধিক শব্দ উলিওৱাৰ সুবিধা পাব। দলত শব্দবোৰ বাছি উলিওৱাৰ পাছত প্ৰতিটো দলকে বোৰ্ডত শব্দবোৰ লিখিবলৈ দিব পাৰে।

৫) শব্দবোৰ বাছি উলিয়াই লিখাৰ পিছত সেই শব্দবোৰৰ সহায়ত অৰ্থপূৰ্ণ বাক্য গঠন কৰিবলৈ দিব। ক্ৰমান্বয়ে অধিক শব্দ লগ-লগাই বাক্য গঠন কৰিবলৈ দিব পাৰে। প্ৰয়োজন সাপেক্ষে শিক্ষকে নিজে দুই/এটা উদাহৰণ দেখুৱাই দিব পাৰে। সিপিঠিত প্ৰথম শ্ৰেণীৰ উপযোগী মননশীল চিত্ৰৰ এটি উদাহৰণ দাঙি ধৰা হ'ল।




এই ক্ৰিয়া কলাপটো কৰোতে শিক্ষকে চোকা নজৰ ৰাখিব লাগে যাতে শ্ৰেণীটোৰ প্ৰতিগৰাকী শিকাৰুৱে অংশগ্ৰহণ কৰিছে। শিক্ষকে প্ৰতিদিনে উক্ত ক্ৰিয়া-কলাপটি পাঠদান কাৰ্যত বিশেষকৈ ভাষাৰ পাঠদানত ক্ৰিয়া-কলাপটি প্ৰয়োগ কৰিব লাগে কিয়নো ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ শব্দ ভাণ্ডাৰ টনকিয়াল হয়, প্ৰতিযোগিতামূলক মনোভাৱ গঢ়ি উঠে, সৃজনী শক্তিৰ বিকাশ হয়, ভাষাৰ বিকাশ হয়, ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ বৃদ্ধি হয়, ছাত্ৰ-ছাত্ৰী অভিৰোচিত হোৱাৰ উপৰি আন আন দিশৰো বিকাশ ঘটে।